# 2013

## ASSAMESE

( Major )

Paper : 3.4

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Candidates* ***eligible*** *for Internal Assessment shall answer from* PART—I *and* PART—II *only*
( *Marks* : 60+30=90 )

---

*Candidates* ***not eligible*** *for Internal Assessment shall answer from* PART—I, PART—II *and* PART—III
( *Marks* : 60+30+10=100 )

## PART—I

( *Marks* : 60 )

১ নং প্ৰশ্ন আৰু যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখিবা

১। তলৰ যি কোনো **চাৰিছোৱা** সৰল অসমীয়ালৈ অনুবাদ কৰা আৰু আঁচটনা শব্দবোৰৰ যি কোনো **চাৰিটাৰ** সংস্কৃত ৰূপ নিৰ্ণয় কৰি অসমীয়া অৰ্থ লিখা : (৪×৪)+(১×৪)=২০

(ক) অপ্পমত্তো পমত্তেসু সুত্তেসু বহুজাগৰো।
অৱলস্সং'ৱ সীঘ'স্সো হিত্বা যাতি সুমেধসো॥

(খ) অপ্‌পমাদেন মঘৱা দেৱানং সেট্‌ঠংগতো।
অপ্‌পমাদং পসংসন্তি পমাদো গৰহিতো সদা॥

(গ) অধ এক্কদিঅশং মএ লোহিদমশ্চকে খণ্ডশো কপ্পিদে। যাৱ তশ্‌শ উদলৱভন্তলে এদং মহালদনভাশুলং অংগুলীঅঅং পেস্কামি।

(ঘ) এশে অস্মাণং ঈশলে পত্তে গেণ্‌হিঅ লাঅশাশণং। তা শউলাণং মুহং পেস্কশি অধ ৱা গিদ্ধশিআলাণং বলী ভৱিশ্‌শশি।

(ঙ) পৰুসা সক্কঅবন্ধা পাউঅবন্ধা ৱি হোই সুউমাৰো।
পুৰিসমহিলাণঁ জেত্তিঅমিহন্তৰং তেত্তিঅমিমাণং॥

(চ) বালকঈ কইৰাও ণিব্‌ভৰৰাঅস্‌স তহ উবজঝাও।
ইঅ জস্‌স পৰম্পৰাএ অপ্পা মাহাপ্পমাৰূঢ়ো॥

(ছ) তহ তণও কুলকমলো পাইঅ কব্বেসু গীয় বিসয়েসু।
অদ্দহমাণপসিদ্ধো সংণেহৰাসয়ং ৰইয়ং॥

(জ) পুব্বচ্ছেয়াণ ণমো সুকইণ য সদ্দসত্থকুসলাণ।
তিয়লোএ সুচ্ছংদং জেহিঁ কয়ং জেহি ণিদ্দিট্ঠং॥

২। 'ধম্মপদ' শব্দৰ ব্যুৎপত্তিগত অৰ্থ কি? ইয়াত সৰ্বমুঠ কিমানটা গাথা আছে? তোমাৰ পাঠৰ আধাৰত 'ধম্মপদ'ৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা। ৩+১+৬=১০

৩। 'ধম্মপদ'-ৰ অন্তৰ্গত 'অপ্‌পমাদ বগ্‌গ'-ৰ মূল প্ৰতিপাদ্য বিষয় তোমাৰ ভাষাৰে বিৱৰি লিখা। ১০

৪। সংস্কৃত নাটকত প্ৰাকৃতৰ ব্যৱহাৰ সম্বন্ধে আলোচনা কৰি 'শকুন্তলা' নাটকৰ তোমাৰ পাঠ্য দৃশ্যটোত সেই নিয়ম কেনেদৰে পালিত হৈছে, বুজাই লিখা। ৪+৬=১০

৫। 'সট্টক' শব্দৰ ব্যুৎপত্তিগত অৰ্থ কি? 'কৰ্পূৰমঞ্জৰী'-ক সট্টক আখ্যা দিব পাৰিনে, যুক্তিৰে বিচাৰ কৰা। ২+৮=১০

৬। প্ৰাকৃত নাট হিচাপে 'কৰ্পূৰমঞ্জৰী'-ৰ মূল্যায়ন কৰা। ১০

৭। 'সন্দেশ ৰাসক' শব্দগুচ্ছই কি অৰ্থ বহন কৰিছে? এই কাব্যখনি কেইটা 'প্ৰক্ৰম'-ত বিভক্ত? ভাৰতীয় দূতকাব্যৰ পৰম্পৰাত 'সন্দেশ ৰাসক'-ৰ স্থান নিৰূপণ কৰা। ৩+১+৬=১০

## PART—II

( *Marks* : 30 )

৮। মধ্যভাৰতীয় আৰ্যভাষাক কেইটা আৰু কি কি স্তৰত ভাগ কৰা হৈছে? প্ৰতিটো স্তৰৰে ঘাই ঘাই ধ্বনিতাত্ত্বিক বৈশিষ্ট্যবোৰ উদাহৰণসহ উল্লেখ কৰা। ১+১+৮=১০

*অথবা*

পালি ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ সম্বন্ধে চমুকৈ আলোচনা কৰা। ১০

৯। 'সাহিত্যিক প্ৰাকৃত' বুলিলে কি বুজা? এই প্ৰাকৃত কেইবিধ? যি কোনো এবিধ সাহিত্যিক প্ৰাকৃতৰ প্ৰধান বৈশিষ্ট্যবোৰ ফঁহিয়াই আলোচনা কৰা। ২+১+৭=১০

*অথবা*

সংস্কৃতৰ স্বৰধ্বনিসমূহ পালি-প্ৰাকৃতত কিমানদূৰ ৰক্ষিত অথবা সৰলীকৃত হৈছে, যথোপযুক্ত উদাহৰণেৰে বুজাই লিখা। ১০

১০। তলৰ যি কোনো **এটাৰ** বিষয়ে চমুকৈ লিখা : ৫

(ক) পালি শব্দৰূপৰ বৈশিষ্ট্য

(খ) সংস্কৃতৰ সংযুক্ত ব্যঞ্জনৰ প্ৰাকৃতত হোৱা পৰিৱৰ্তন

(গ) প্ৰাকৃত ভাষাৰ লিঙ্গ আৰু বচন

(ঘ) অপভ্ৰংশ ভাষা

১১। তলৰ যি কোনো **পাঁচোটা** প্ৰশ্নৰ উত্তৰ লিখা : ১×৫=৫

(ক) 'মহাভাষ্য'-ৰ ৰচয়িতাৰ নাম কি?

(খ) 'সেতুবন্ধ' মহাকাব্য কি প্ৰাকৃতত ৰচিত?

(গ) 'বড়্ডকহা'-ৰ ৰচক কোন?

(ঘ) 'গাহাসত্তসঈ' কাব্যৰ প্ৰতিটো থূলত কিমানটাকৈ গাথা সন্নিৱিষ্ট হৈছে?

(ঙ) 'গউড়বহো' কাব্যৰ ৰচয়িতা কোন?

(চ) 'শাকাৰী প্ৰাকৃত' কোনখন সংস্কৃত নাটকত ব্যৱহাৰ কৰা হৈছে?

(ছ) 'ব্ৰাচড়ক' কোন ভাষাৰ উপভাষা?

(জ) বৌদ্ধধৰ্মৰ মূল শাস্ত্ৰখনৰ নাম কি?

## PART—III

( *Marks* : 10 )

( আভ্যন্তৰীণ মূল্যায়নৰ পৰিৱৰ্তে )

১২। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ লিখা : ২×৫=১০

(ক) 'প্ৰাকৃত প্ৰকাশ' কি বিষয়ক গ্ৰন্থ? ইয়াৰ ৰচয়িতাৰ নাম কি?

(খ) 'সেতুবন্ধ' কাব্যৰ আন দুটা নাম কি?

(গ) 'বজ্জালগ্‌গ' কি প্ৰাকৃতত ৰচিত? ইয়াৰ ৰচক কোন?

(ঘ) 'বড়্‌ডকহা'-ৰ সংস্কৃত নাম কি? ই কি প্ৰাকৃতত ৰচিত?

(ঙ) 'কুমাৰপাল চৰিত' কি প্ৰাকৃতত, কোনে ৰচনা কৰিছিল?

★★★